সাম্প্ৰতিক ঘটনা প্ৰৱাহ

- অন্তৰীক্ষা চেতিয়া

১)বিশ্বৰ প্ৰথমগৰাকী এআই বিমান পৰিচাৰিকা 'ছামা'

কাটাৰ এয়াৰৱেজে বিশ্বৰ প্ৰথমগৰাকী কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা পৰিচালিত বিমান পৰিচাৰিকা মুকলি কৰিছে।ছামা ২.০ নামেৰে মুকলি কৰা এ আই বিমান পৰিচাৰিকাগৰাকীয়ে সঠিক সময়ত যাত্ৰীৰ লগত বাৰ্তালাপ কৰিব পাৰে।আৰৱী ভাষাৰ শব্দ ছামা মানে 'আকাশ'।অলপতে বাৰ্লিনত অনুষ্ঠিত হোৱা বিশ্বৰ সৰ্ববৃহৎ টেভেল ট্ৰেড শ্ব'ত ভাৰ্চুৱেল বিমান পৰিচাৰিকা ছামা ২.০ক মুকলি কৰিছে 'দ্য নেচনেল কেৰিয়াৰ অৱ দ্য ষ্টেট অৱ কাটাৰে।এই ট্ৰেড শ্ব'ত ছামা ২.০য়ে দৰ্শনাৰ্থী আৰু সংবাদমাধ্যমৰ লগত মত বিনিময় কৰি অভিলেখ সৃষ্টি কৰিছে।কাটাৰ এয়াৰৱেজে এ আই ডিজিটেল হিউমেন টেকন'লজীৰ লিডাৰখ্যাত নিউজীলেণ্ডৰ কোম্পানী ইউনিকৰ সহযোগত ছামা ২.০ক প্ৰস্তুত কৰি উলিয়াইছে।এই সন্দৰ্ভত কাটাৰ এয়াৰৱেজৰ উপাধ্যক্ষ বাবৰ ৰহমানে কয়- 'ছামা ২.০য়ে আমাৰ নতুন কিবা এটা কৰাৰ নিৰৱচ্ছিন্ন জিজ্ঞাসাক প্ৰতিফলিত কৰিছে।প্ৰযুক্তি আৰু মানৱ সংযোগৰ এয়া যুগান্তকাৰী সফলতা'।উল্লেখ্য,দেখাত মানৱ বিমান পৰিচাৰিকাৰ সৈতে একে কৃত্ৰিম ছামা ২.০য়ে যাত্ৰীসকলক বিমানত উঠাৰ পৰা নমালৈকে সকলো ধৰণৰ সহায় আগবঢ়াব।যাত্ৰীৰ লগত বাৰ্তালাপ কৰোঁতে ছামা ২.০য়ে মানুহৰ দৰে চলাচল তথা মুখৰ অংগীভংগীও কৰিব।ছামা ২.০য়ে সদ্যহতে ইংৰাজী ভাষাতহে কথা ক'ব পাৰিব যদিও পাছলৈ আৰবী আৰু আন ভাষাতো সলসলীয়াকৈ কথা ক'ব পাৰিব।

২)বিশ্বজুৰি প্ৰত্যাহাৰ হ'ল ক'ভিশ্বিল্ড

ক'ৰনাৰ সময়ত অতিমাৰী বিধৰ পৰা ৰক্ষা পোৱাৰ বাবে সকলোৱে ভৰসা কৰিছিল ক'ভিশ্বিল্ড আৰু ক'ভাক্সিন নামৰ ভেকচিনৰ ওপৰত।অৱশেষত সেই দুবিধ ভেকচিনৰ কভিশ্বিল্ড সমগ্ৰ বিশ্বৰ বজাৰৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে।ক'ৰ'নাৰ এই ভেকচিনবিধৰ পাৰ্শ্বক্ৰিয়া থকা বুলি ঘোষণা কৰাৰ পাছতেই ক'ভিশ্বিল্ডৰ প্ৰস্তুতকৰ্তা এষ্ট্ৰাজেনেকা নামৰ কোম্পানীটোৱে এই ভেকচিনবিধ সমগ্ৰ বিশ্বৰ বজাৰৰ পৰা প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰা হৈছে।

৩)হাউছ অৱ লৰ্ডছলৈ নিৰ্বাচিত প্ৰথম অসমীয়া

বৃটিছ সংসদৰ উচ্চ সদন 'হাউছ অৱ লৰ্ডছলৈ' নিৰ্বাচিত হৈছে এগৰাকী অসমীয়া মূলৰ বৃটিছ মহিলা।প্ৰথমগৰাকী অসমীয়া হিচাপে আয়েশা ইউছুফ হাজৰিকাই বৃহস্পতিবাৰে লণ্ডনৰ ৱেষ্টমিনিষ্টাৰত হাউছ অৱ লৰ্ডছত কোটব্ৰিজৰ কাৰনেছ হাজৰিকা হিচাপে আসন গ্ৰহণ কৰে।১৯৭৫ চনৰ ১৫ ডিচেম্বৰত স্কটলেণ্ডৰ বেলশ্বিলত জন্মগ্ৰহণ কৰা আয়েশা হাজৰিকা দেশখনৰ লেবাৰ পাৰ্টীৰ প্ৰাক্তন ৰাজনৈতিক উপদেষ্টা আৰু জ্যেষ্ঠ সাংবাদিক।বেলশ্বিল আৰু কোটব্ৰিজত ডাঙৰ দীঘল হোৱা আয়েশা হজৰিকাৰ পিতৃৰ নাম ডাঃ লিয়াকত আলী

হাজৰিকা।উত্তৰ লখিমপুৰৰ সন্তান লিয়াকত আলী হাজৰিকাই ১৯৬০ চনত গ্লাছগোত স্থায়ীভাৱে থাকিবলৈ লৈছিল আৰু পৰৱৰ্তী সময়ত বৃটিছ নাগৰিকত্ব গ্ৰহণ কৰিছিল।আয়েশাৰ ককাদেউতাক প্ৰয়াত ইউছুফ আলী হাজৰিকা অসমৰ এজন প্ৰখ্যাত অধিবক্তা আৰু লখিমপুৰ পৌৰসভাৰ সভাপতিও আছিল।বৰ্তমান লণ্ডনৰ বিখ্যাত টাইমছ ৰেডিঅ'ৰ উপস্থাপক হিচাপে কৰ্মৰত আয়েশা হাজৰিকাই পূৰ্বে ২০০৭ চনৰ পৰা ২০১৫ চনলৈ লেবাৰ পাৰ্টীৰ নেতা তথা প্ৰাক্তন বৃটিছ প্ৰধানমন্ত্ৰী গৰ্ডন ব্ৰাউন,সাংসদ হেৰাট হাৰমান আৰু প্ৰধানমন্ত্ৰী এঢ মিলিবেণ্ডৰ ৰাজনৈতিক উপদেষ্টা হিচাপে নিয়োজিত হৈ আছিল।উল্লেখ্য,আয়েশা হাজৰিকাই ২০১০ চনত লণ্ডনৰ ঐতিহাসিক মহিলা সমতা আইনৰ খচৰা প্ৰস্তুতত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।লণ্ডনৰ ইভিনিং ষ্টেণ্ডাৰ্ড,স্কটছমেন,গ্ৰেজিয়া আদি বাতৰি কাকতৰ স্তম্ভলেখক প্ৰৱাসী অসমীয়া হাজৰিকাৰ বিবিচি,নিউজ নাইট,গুডমৰ্ণিং ব্ৰিটেইন,চি এন এন ইণ্টাৰনেশ্যনেল আদি কেইবাটাও আন্তঃৰাষ্ট্ৰীয় টেলিভিশ্যনত কাম কৰাৰ অভিজ্ঞতা আছে।আয়েশা হাজৰিকাই ২০১৮ চনত 'পান্স এণ্ড জুডি পলিটিক্সছ' শীৰ্ষক এখন গ্ৰন্থও প্ৰকাশ কৰিছিল।এডিনবাৰ্গ মহোৎসৱত ষ্টেণ্ড আপ কমেডিয়ান হিচাপে বঁটা লাভ কৰা অসম কন্যা আয়েশাই ২০১৯ চনত হাল বিশ্ববিদ্যালয়ৰ পৰা পিএইচ ডি ডিগ্ৰী লাভ কৰে।

৪)অসমৰ আৰুণি কাশ্যপলৈ হাভাৰ্ডৰ ৰেডক্লিফ ফেল'শ্বিপ

অসমৰ সু-সন্তান আৰুণি কাশ্যপলৈ হাৰ্ৱাৰ্ড বিশ্ববিদ্যালয়ে সন্মানীয় ৰেডক্লিফ ফেলশ্বিপ আগবঢ়াইছে।এই সন্মান লাভ কৰা প্ৰথমজন অসমীয়া হ'ল আৰুণি কাশ্যপ।অসমীয়া আৰু ইংৰাজী উভয় ভাষাত উচ্চস্তৰৰ সাহিত্য ৰচনাৰে বিশ্বৰ সাহিত্য ক্ষেত্ৰখনত উজলিবলৈ সক্ষম হোৱা সাম্প্ৰতিক সময়ৰ অন্যতম জনপ্ৰিয় সাহিত্যিক তথা আমেৰিকাৰ য়ুনিভাৰচিটী অৱ জৰ্জিয়াৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক আৰুণি কাশ্যপলৈ আগবঢ়োৱা হৈছে ২০২৪-২০২৫ বৰ্ষৰ হাভাৰ্ড বিশ্ববিদ্যালয়ৰ ৰেডক্লিফ ফেল'শ্বিপ।হাভাৰ্ড বিশ্ববিদ্যালয়ত ৰেডক্লিফ ইনষ্টিটিউট অৱ এডভান্সড ষ্টাডীয়ে প্ৰত্যেক বছৰে বিশ্বৰ প্ৰায় ৫০জন ব্যক্তিক এই সন্মান প্ৰদান কৰে।আৰুণি কাশ্যপৰ জন্ম ১৯৮৪ চনত শিলচৰত।পেচাত তেওঁ অধ্যাপক,লেখক,কবি আৰু অনুবাদক।গুৱাহাটীত ডাঙৰ-দীঘল হোৱা আৰুণি বৰ্তমান আমেৰিকাৰ এথেন্স চহৰত বাস কৰে।গ্ৰীষ্মকালত তেওঁ অসমলৈ আহে আৰু ডিমৰীয়াৰ সোণাপুৰ ৰাজহচক্ৰৰ অন্তৰ্গত তেতেলীগুৰি গাঁৱত কটায়।আৰুণিৰ এই বিৰল সন্মানে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে।

ই-মেইল: antariksachetia@gmail.com